**Delhi Public School Guwahati**
"Under the aegis of the Delhi Public School Society, Delhi"

# Competancy Based Questions

## Class- X

(MCQ Type Questions)

১)তলৰ প্ৰশ্নসমূহৰ শুদ্ধ উত্তৰটো বিচাৰি উলিয়াই লিখা

ক) ছাত্ৰৰ উন্নতিৰ ঘাই মন্ত্ৰ কি

১)অকল লিখা-পঢ়া কৰা , ২) ছাত্ৰৰ একাগ্ৰতা, ৩) কিতাপৰ কথা আওৰোৱা

খ) পানীত ননমাকৈ কি শিকিব নোৱাৰি

১) ব্যায়াম , ২) খেতি-বাতি , সাঁতোৰ

গ) ব্যৱহাৰত নলগোৱা স্থানতো কিহে ধৰে

১) বোকাই , ২) মামৰে , ৩) পিপৰাই

ঘ) ডেকাসকলে কাৰ কান্ধৰ ভাৰখন ডাঙি লবলৈ সাজু হৈ থাকিব লাগিব

১) শিক্ষকসকলৰ ,২) কেঁচুৱাবোৰৰ , ৩) প্ৰৌঢ়সকলৰ

ঙ) নৰসেৱা মানে ---

১) মানুহৰ সেৱা , ২ ) ভগৱানৰ সেৱা , ৩) দেৱতাৰ সেৱা

( Assertion Resoning Type Questions)

২)শুদ্ধ উত্তৰটো বিচাৰি উলিয়াই লিখা

ক) A -গাঁও একেধাৰে নগৰৰ জনক জননী ------ কাৰণ

R - গাৱেঁ নগৰক জন্ম দি পালনো কৰে

১) A আৰু R দুয়োটা শুদ্ধ । A ৰ শুদ্ধ যুক্তি হ'ল R ।

২) A আৰু R দুয়োটা শুদ্ধ। A ৰ শুদ্ধ যুক্তি R নহয়

৩) A শুদ্ধ R অশুদ্ধ।

৪) A অশুদ্ধ R শুদ্ধ।

খ) A - প্ৰকৃত দেশৰ উন্নতি কৰা মানে গাঁৱৰ উন্নতি কৰা ------ কাৰণ

R – ভগৱান সেৱাই প্ৰকৃত নাৰায়ণ সেৱা।

১) A আৰু R দুয়োটা শুদ্ধ । A ৰ শুদ্ধ যুক্তি হ'ল R ।

২) A আৰু R দুয়োটা শুদ্ধ। A ৰ শুদ্ধ যুক্তি R নহয়
৩) A শুদ্ধ R অশুদ্ধ।
৪) A অশুদ্ধ R শুদ্ধ।

(Case-Based Questions )

৩) মহীধৰ এখন গাঁৱৰ দৰিদ্ৰ মানুহ। তাৰ এটুকুৰা মাটি। ল'ৰা-ছোৱালী,বুঢ়া মাক-দেউতাক,ভায়েক-ভনীয়েকেৰে দহজনীয়া পৰিয়াল এটা চলাবলৈ একো উপাৰ্জনৰ ব্যৱস্থা নাই। বছৰত তাৰ মাটি টুকুৰাত খেতি কৰি ডাঙৰ পৰিয়ালটো দুমাহ লঘোণ নপৰাকৈ খাব পাৰে। বাকী দিনবোৰত সি আনৰ মুখলৈ চাই দিন যাক কাপোৰ নাফাটক কৰি দিন কটায়।
--------তোমাৰ সমাজসেৱাৰ অংশ হিচাপে মহীধৰে লঘোণ নপৰাকৈ পৰিয়ালটো চলাবলৈ কেনেদৰে সহায় কৰিবা ?

খ) তুমি দশম শ্ৰেণীৰ ছাত্ৰ বা ছাত্ৰী। সমাজ সেৱা কৰিবলৈ এখন গাওঁ বাচি লৈছা। গাওঁখনৰ মানুহবোৰ অশিক্ষিত,অজ্ঞানী। বেমাৰ -আজাৰ হ'লে আজিও বেজ বা কবিৰাজৰ ওচৰলৈ যায়। বেমাৰ ভাল কৰিবলৈ বেজে জাৰি দিয়া মন্ত্ৰপুত পানী খাই , তাবিজ পিন্ধে।

------ এইবোৰক তুমি কি বুলি ক'বা ? সমাজৰপৰা এইবোৰ নোহোৱা কৰিবলৈ তোমাৰ সমাজসেৱাৰ অংশ হিচাপে কি কৰিবা ?

৪) শ্ৰেণীকোঠাত শিক্ষকে পঢ়ুৱাইছে “ ডাঙৰক সন্মান কৰিবা ।” লগৰীয়াৰ লগত স্কুল ছুটিৰ পিছত ওলাই আহি বাটেৰে গৈ আছা। দেখিলা বুঢ়া মানুহ এজনে ৰাষ্টাৰে থৰক-বৰককৈ খোজ কাঢ়ি গৈ থাকোতে তোমালোকৰ সন্মুখতে পিছলি পৰিল। তোমালোক আটায়ে মানুহজনক সহায় কৰাৰ সলনি কিৰিলি পাৰি হাঁহি দিলা।

-------- শিক্ষা ব্যৱস্থাৰ কি দোষ এই কাৰ্যৰ মাজেৰে ফুটি উঠিছে ?

---